# REGIONAL NEWS UNIT
# ALL INDIA RADIO, GUWAHATI

0000000000

Date : 05-10-2023
Time : 1800 Hrs.

০০০০০০০

ৰাজ্য চৰকাৰৰ এক লাখ চাকৰি প্ৰদান কাৰ্যসূচীৰ অধীনত দ্বিতীয় পৰ্যায়ৰ নিযুক্তি প্ৰক্ৰিয়া অতি সোনকালে মুকলি কৰা হ'ব। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত এই কথা জানিবলৈ দিয়ে। পৰহিলৈ আৰক্ষী বিভাগত প্ৰায় চাৰে পাঁচ হাজাৰ পদৰ বাবে বিজ্ঞাপন প্ৰকাশ পোৱাৰ লগতে  চলিত মাহত চৰকাৰৰ আন আন বিভাগত খালী থকা প্ৰায় ১৫ হাজাৰ পদৰ বাবে বিজ্ঞাপন প্ৰকাশ পাব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। আনহাতে, অহা ১১ আৰু ১২ অক্টোবৰত অৰুণোদয় আঁচনিৰ অধীনত ৭ লাখ নতুন হিতাধিকাৰী অন্তৰ্ভুক্ত কৰাৰ লগতে মাইক্ৰ'ফাইনেন্সৰ অধীনত ২৫ হাজাৰ টকালৈকে ঋণ লোৱা মহিলাসকলৰ ঋণ মাফ কৰা হ'ব। এই মহিলাসকলে ঋণ মাফৰ পিছত এন অ' চি লাভ কৰাৰ লগতে ভৱিষ্যতে ঋণ ল'ব পাৰিব। একে সময়তে ৰাজ্যৰ চৰকাৰী বিদ্যালয়ৰ নৱম শ্ৰেণীত পঢ়ি থকা ছাত্ৰীসকলৰ মাজত চাইকেল বিতৰণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে মত প্ৰকাশ কৰে।

০০০০০০০

নৰোৱেৰ লেখক, নাট্যকাৰ জন ফচলৈ চলিত বছৰৰ সাহিত্যৰ নবেল পুৰস্কাৰ আগবঢ়োৱা হৈছে। ৬৪ বছৰীয়া ফচে উপন্যাস, গল্প, কবিতা, শিশু উপযোগী সাহিত্য আদি ৰচনা কৰিছে। লেখকগৰাকীয়ে তেওঁৰ উদ্ভাৱনমূলক নাটক আৰু গদ্য ৰচনাৰে মানুহৰ মনৰ অস্ফুট কথাক তুলি ধৰাৰ স্বীকৃতি স্বৰূপে এই বঁটা আগবঢ়োৱা হৈছে। ইউৰোপৰ বিভিন্ন অঞ্চলত লেখাৰে জনপ্ৰিয়তা অৰ্জন কৰা ফচে ক্ৰমান্বয়ে সমগ্ৰ বিশ্ব ইংৰাজী ভাষা-ভাষী জনসাধাৰণৰ মাজত জনপ্ৰিয়তা অৰ্জন কৰে। ১৯৮৩ চনত ৰেড-ব্লেক নামৰ উপন্যাসেৰে জন ফচে উপন্যাসিক হিচাপে যাত্ৰা আৰম্ভ কৰিছিল।

০০০০০০০

শিৱসাগৰ জিলাৰ নাজিৰাত বিহুবৰ গাঁও পঞ্চায়তত আজি মেৰি মাটি, মেৰি দেশ কাৰ্যসূচী গ্ৰহণ কৰা হয়। মুখ্যমন্ত্ৰীৰ নিৰ্দেশ মৰ্মে ৰূপায়িত এই কাৰ্যসূচীত আত্মসহায়ক গোটৰ মহিলাসকলে শোভাযাত্ৰা উলিয়াই গাঁৱৰ বিভিন্ন প্ৰান্তৰ পৰা সংগ্ৰহ কৰি অনা মাটি কলহত জমা কৰি দিল্লীলৈ প্ৰেৰণ কৰাৰ বাবে বিহুবৰ পঞ্চায়তত জমা কৰে। এই কাৰ্যসূচীত মহকুমা প্ৰশাসনৰ বিষয়ববীয়া, গাঁও পঞ্চায়তৰ সভানেত্ৰীকে ধৰি সদস্যসকল আৰু স্থানীয় ৰাইজ উপস্থিত থাকে। কৰিমগঞ্জ জিলাত আজি বিজেপিৰ শন্দিল বৰিগ্ৰাম মণ্ডলৰ উদ্যোগত সন্যাসীবাৰীৰ পৰা অমৃত কলহ যাত্ৰা কৰা হয়। এই যাত্ৰা কুড়ীশাল গাঁৱত সামৰণি পৰে। চৰাইদেউ জিলাৰ নিমনাগড়, দিচাংপানী আৰু নিজখালৈঘগুৱা গাঁও পঞ্চায়ত এলেকাত সংগ্ৰহ কৰা মাটিৰ কলহসমূহ আজি তিনিখন গাঁও পঞ্চায়তৰ কাৰ্যলয়ত জমা কৰা হয়। এই উপলক্ষে উলিওৱা শোভাযাত্ৰাত ৰাজ্যৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী যোগেন মহনে অংশগ্ৰহণ কৰে। মেৰি মাটি, মেৰি দেশ কাৰ্যসূচীৰ অধীনত শোণিতপুৰ জিলা প্ৰশাসনে জিলাখনৰ ৮২টা স্থানত যোৱা ২ অক্টোবৰৰ পৰা অহা ৯ অক্টোবৰলৈ অমৃত কলহ যাত্ৰাৰ আয়োজন কৰিছে। অমৃত কলহ যাত্ৰা অভিযানৰ পৰিপ্ৰেক্ষিতত শোণিতপুৰ জিলাৰ বিভিন্ন পঞ্চায়তত মাটি

সংগ্ৰহ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। আজিৰ কাৰ্যসূচীত সাংসদ পল্লৱ লোচন দাসৰ লগতে বিধায়ক পৃথ্বীৰাজ ৰাভা আৰু গণেশ কুমাৰ লিম্বুয়ে নিজ নিজ সমষ্টিত এই যাত্ৰাত অংশগ্ৰহণ কৰে।

০০০০০০০

অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদে অহা বছৰৰ ফেব্ৰুৱাৰী-মাৰ্চ মাহত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা অনুষ্ঠিত কৰাৰ পৰিকল্পনা কৰিছে। এই অনুসৰি অহা ১ নৱেম্বৰৰ পৰা অনলাইন প্ৰ-পত্ৰ পূৰণ প্ৰক্ৰিয়া আৰম্ভ হ'ব। ৩০ নৱেম্বৰ প্ৰ-পত্ৰ পূৰণৰ অন্তিম দিন ধাৰ্য্য কৰা হৈছে। এই সন্দৰ্ভত শিক্ষা সংসদৰ পৰীক্ষা নিয়ন্ত্ৰকে কালি এখন অধিসূচনা জাৰি কৰে। এই অধিসূচনাত নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত প্ৰ-পত্ৰ পূৰণৰ প্ৰক্ৰিয়া সম্পন্ন কৰিবলৈ শিক্ষানুষ্ঠানৰ মুৰব্বীক নিৰ্দেশ দিয়া হৈছে। ইপিনে, পিতৃ মাতৃৰ বাৰ্ষিক আয় ২ লাখ বা তাতকৈ কম হ'লে এনে পৰিয়ালৰ পৰিক্ষাৰ্থীয়ে কেন্দ্ৰ মাচুল নইবা পৰীক্ষা মাচুল ৰেহাই পাব বুলি অধিসূচনাত উল্লেখ কৰা হৈছে।

০০০০০০০

জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই আজি গুৱাহাটীৰ বশিষ্ঠত অসম ৰাজ্যিক তথ্য কেন্দ্ৰ উদ্বোধন কৰে। জলসম্পদ বিভাগৰ অধীনত অসম জল গৱেষণা আৰু ব্যৱস্থাপনা প্ৰতিষ্ঠান সমিতিৰ দ্বাৰা স্থাপন কৰা এই কেন্দ্ৰটোৱে বতৰ আৰু বানৰ ক্ষেত্ৰত পূৰ্বানুমানৰ সুবিধা দিব। মন্ত্ৰীগৰাকীয়ে কয় যে, ইয়াৰ ফলত বান বা বতৰ সম্পৰ্কে আগতীয়া অনুমান কৰি বান প্ৰতিৰোধী ব্যৱস্থা কাৰ্যক্ষম কৰি তুলিব পৰা যাব।

০০০০০০০

ৰাজ্যৰ বিদ্যালয়সমূহৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে সমগ্ৰ শিক্ষা অসমে এহেজাৰ ৭৭০ খন বিদ্যালয়লৈ ১৩৭ কোটি ৪৭ লাখ টকা মোকলাই দিছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি সামাজিক মাধ্যম যোগে এই বিষয়ে প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে, এই ধনেৰে বিদ্যালয়সমূহত অতিৰিক্ত শ্ৰেণী কোঠা, প্ৰস্ৰাৱগাৰ, বৈদ্যুতিকীকৰণ আদিৰ দ্বাৰা আন্তঃগাঁথনি উন্নয়ন সম্ভৱ হৈ উঠিব।

০০০০০০০

আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত আজি পুৰুষৰ এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথমখন খেল অনুষ্ঠিত হৈছে। নিউজিলেণ্ড আৰু ইংলেণ্ডৰ মাজত চলি থকা খেলখনত প্ৰথমে বেট ধৰি ইংলেণ্ডে নিৰ্ধাৰিত ৫০ অভাৰত ৯ টা উইকেটৰ বিনিময়ত ২৮২ ৰান সংগ্ৰহ কৰিবলৈ সক্ষম হৈছে। ইংলেণ্ডৰ হৈ জ' ৰুটে ৭৭ ৰান আৰু জজ বাটলাৰে ৪৩ ৰানৰ বৰঙণি আগবঢ়ায়। নিউজিলেণ্ডৰ হৈ মেট হেনৰিয়ে ১০ অভাৰত ৪৮ ৰান দি তিনিটা উইকেট দখল কৰে। আনহাতে লেগ স্পিনাৰ মিছেল ছেণ্টনাৰে ১০ অভাৰত ৩৭ ৰান দি ২ উইকেট দখল কৰিবলৈ সক্ষম হয়।

০০০০০০০

**সমাপ্ত**